কৰ্ম মোৰ সংস্কৃতি

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/২৯/২০২২-২৩
Ref :

তাৰিখ : ১০-১২-২০২২
Date :

# অসম জাতীয় বিদ্যালয়ত ছহিদ দিৱস পালন

**নুনমাটি, গুৱাহাটী, ১০ ডিচেম্বৰ ঃ** ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ সংঘটিত অসম আন্দোলনত জাতীয় অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া ছহিদসকলৰ স্মৃতিত আজি নুনমাটিস্থ অসম জাতীয় বিদ্যালয়ত ছহিদ দিৱস পালন কৰা হয়। বিদ্যালয়ৰ উপাধ্যক্ষ ৰবীন্দ্ৰ বৰ্মনে বীৰ ছহিদসকলৰ স্মৃতিত এগছি বন্তি প্ৰজ্বলন কৰি কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰে। বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকলে ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰে। অনুষ্ঠানত বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ শিক্ষক কুশল গোস্বামীয়ে অসম আন্দোলনৰ অৱদান সম্পৰ্কে বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে ড° ভূপেন হাজৰিকাৰ দ্বাৰা ৰচিত আৰু সুৰাৰোপিত এটি গীত পৰিৱেশন কৰে। অনুষ্ঠানটিৰ আঁত ধৰে বিদ্যালয়ৰ শিক্ষয়িত্ৰী হিমাশ্ৰী ডেকাই।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়